# ফাৰকুন্দা মছজিদ

# বনাম

# হামিদ বাশা আৰু অন্যান্য

২ ডিচেম্বৰ, ১৯৯৬

[কে. ৰামস্বামী আৰু জি.টি. নানাৱটী, ন্যায়াধীশদ্বয়]

উত্তৰবাদীক উচ্ছেদ কৰাৰ বাবে আৰু বিবাদীয় সম্পত্তিৰ দখল পোৱাৰ বাবে আপীলকাৰীৰ দ্বাৰা মোকৰ্দ্দমা- ১৯৭৫ চনত আপীলকাৰীয়ে ‘এম’ৰ পৰা গৃহ ক্রয় কৰিছিল যাৰ অধীনত তৃতীয় উত্তৰবাদীয়ে তেওঁৰ তলতীয়া-পট্টাধাৰী হিচাপে দখললৈ আহিছিল বুলি আপীলকাৰীয়ে দাবী কৰিছে- উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ দাবী নাকচ কৰি মোকৰ্দ্দমা খাৰিজ কৰিছে- আপীল- মত পোষণ কৰা হয়, এয়া স্বীকাৰ কৰা হৈছে যে আপীলকাৰীয়ে উক্ত সম্পত্তিৰ ওপৰত থকা গৃহ ক্রয় কৰাৰ বহু আগাতে তৃতীয় বিবাদী- উত্তৰবাদীয়ে ১৯৬৯ চনত পঞ্জীয়নভুক্ত বিক্রী দলীলৰ জৰিয়তে সেই একে জমি ক্রয় কৰিছিল- তৃতীয় বিবাদীয়েও গৃহটো ক্রয় কৰিছিল- কাৰ্যতঃ বিচৰা ডিক্রীটো জমিৰ প্রকৃত মালিকৰ বিৰুদ্ধে আছিল, অৰ্থাৎ তৃতীয় বিবাদীৰ বিৰূদ্ধে- এই পৰিস্থিতিত আপীলকাৰীয়ে দাখিল কৰা মোকৰ্দ্দমাটো সঠিকভাৱে ডিক্রী হোৱাৰ যোগ্য নাছিল- সেয়েহে উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ দাবী নাকচ কৰা আৰু মোকৰ্দ্দমা খাৰিজ কৰাটো সঠিক আছিল।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ১৫৬৯৮/১৯৯৬**

মাদ্রাজ উচ্চ ন্যায়ালয়ৰ এছ.এ. নং ৩৭২/১৯৮৩ত ১২/০৪/৯৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ পক্ষে এ.টি.এম. সম্পথ আৰু ভি বালাজী।

আদালতৰ তলত দিয়া আদেশ প্রদান কৰা হয়:

অনুমতি প্রদান কৰা হ’ল।

যদিও উত্তৰবাদীসকলক জাননী জাৰী কৰা হৈছে, তেওঁলোকে ব্যক্তিগতভাৱে বা অধিবক্তাৰ জৰিয়তেও হাজিৰ হোৱা নাই। আমি আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিজ্ঞ অধিবক্তা শ্ৰী এ.টি.এম. সম্পথৰ সহায় লৈছো আৰু আদালতৰ সন্মুখত ৰখা ৰায়দান আৰু নথি পঢ়িছো।

বিশেষ মঞ্জুৰী আবেদনৰ দ্বাৰা এই আপীল মাদ্ৰাজ উচ্চ ন্যায়ালয়ে ১৯৯৬ চনৰ ১২ এপ্ৰিলত দ্বিতীয় আপীল নং ৩৭২/৮৩ত দিয়া ৰায়দানৰ পৰাই উদ্ভৱ হৈছে। মছজিদ ষ্ট্ৰীট, ৰয়াপুৰম, মাদ্ৰাজ-১৩ত থকা দুৱাৰ নং ১২-এ আৰু ১২-বি (পুৰণি নং ১২-এ) গৃহ আপীলকাৰীৰ সম্পত্তি আছিল আৰু সেই গৃহ আপীলকাৰীয়ে ১৯৭৫ চনৰ ১৩ ছেপ্টেম্বৰৰ বিক্ৰী দলীলৰ জৰিয়তে মোহাম্মদ হুছেইনৰ পৰা ক্ৰয় কৰিছিল যাৰ অধিনত তৃতীয় বিবাদীয়ে তেওঁৰ তলতীয়া-পট্টাধাৰী হিচাপে দখললৈ আহিছিল বুলি দাবী কৰি বিবাদীয় সম্পত্তিৰ পৰা ১ৰ পৰা ৩ নং উত্তৰবাদীক উচ্ছেদ কৰাৰ বাবে আৰু তাৰ দখল পোৱাৰ বাবে আপীলকাৰীয়ে মোকৰ্দ্দমা দাখিল কৰিছিল। গতিকে তেওঁক দখল বিৱলৈ নিৰ্দেশ দিব লাগে। যদিও বিচাৰকৰণ আদালত আৰু আপীল আদালতে আপীলকাৰীজন সম্পত্তিৰ মালিক আছিল বুলি আৰু ৩য় উত্তৰবাদীজন ১ আৰু ২ নং উত্তৰবাদীৰ তলতীয়া-পট্টাধাৰী বুলি মত পোষণ কৰিছিল, উচ্চ ন্যায়ালয়ে নথিপত্ৰৰ প্ৰমাণৰ দিশটো বিবেচনা কৰিছিল। এই সম্পত্তিটো মাদ্ৰাজ চহৰৰ মছজিদ ষ্ট্ৰীট, আদম চাহেব ষ্ট্ৰীট আৰু চি. থোপ্পা মডালি ষ্ট্ৰীটলৈ যোৱা ত্ৰিকোণীয় পথত অৱস্থিত। এয়া স্বীকাৰ কৰা হৈছে যে উক্ত সম্পত্তিৰ ওপৰত থকা কথিত গৃহটো আপীলকাৰীয়ে ক্ৰয় কৰাৰ বহু আগতেই তৃতীয় বিবাদী-তৃতীয় উত্তৰবাদীয়ে ১৯৬৯ চনত পঞ্জীয়নভুক্ত বিক্ৰী দলীলৰ জৰিয়তে সেই একে জমি ক্ৰয় কৰিছিল। উচ্চ ন্যায়ালয়ে তৃতীয় বিবাদীয়ে গৃহটো ক্ৰয় কৰা বুলি পাইছিল। আপীলকাৰীয়ে এইটো দাবী কৰিব বিচাৰিছে যে আপীলকাৰী আৰু উত্তৰবাদীসকলে উক্ত জমি আৰু গৃহ ক্ৰয় কৰাৰ বিষয়বস্তু বেলেগ আৰু সুকীয়া আৰু সেয়েহে উচ্চ ন্যায়ালয়ে লিপিবদ্ধ কৰা তথ্যটো আইনত শুদ্ধ নহয়। এই ক্ষেত্ৰত আমি প্ৰশ্নটোৰ মাজলৈ যোৱাৰ প্ৰয়োজন নাই এই কাৰণে যে আপীলকাৰীয়ে এই ভিত্তিত আগবাঢ়িছে যে ৩ নং উত্তৰবাদীজন উক্ত গৃহৰ মালিক বুলি কোৱা মহম্মদ হুছেইনৰ জৰিয়তে অহা ১ আৰু ২ নং বিবাদী-উত্তৰবাদীৰ তলতীয়া-পট্টাধাৰী বুলি অভিযোগ কৰা হৈছে আৰু আপীলকাৰীয়ে সেই মহম্মদ হুছেইনৰ পৰা স্বত্ব দাবী কৰিছে। কাৰ্যতঃ বিচৰা ডিক্ৰীটো জমিৰ প্ৰকৃত মালিক অৰ্থাৎ তৃতীয় বিবাদীৰ বিৰুদ্ধে। এই পৰিস্থিতিত

আপীলকাৰীয়ে কৰা মোকাৰ্দ্দমাটো সঠিকভাৱে ডিক্ৰী হোৱাৰ যোগ্য নহয়। সেয়েহে, উচ্চ ন্যায়ালয়ে এই ভিত্তিত আপীলকাৰীৰ দাবী নাকচ কৰি মোকৰ্দ্দমা খাৰিজ কৰাটো সঠিক আছিল।

সেই অনুসৰি আপীল খাৰিজ কৰা হ'ল। কোনো খৰচ নাই।

টি.এন.এ. আপীল খাৰিজ কৰা হ'ল।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"

অনুবাদকঃ মোঃ ছফিজুৰ ৰহমান, মুখ্য অনুবাদক